জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৯৮/২০২০

# নামানি মাজুলীত বান আৰু খহনীয়া প্ৰতিৰোধৰ তিনিখন গুৰুত্বপূৰ্ণ আঁচনিৰ ৰূপায়ণৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

মাজুলীৰ কৰতিপাৰত বহুমুখী বান আশ্ৰয় গৃহৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰী সোণোৱালৰ

মাজুলীক ভাৰতবৰ্ষৰ ভিতৰতে এক উল্লেখযোগ্য স্থান হিচাপে গঢ়ি তোলাৰ যি মহান লক্ষ্যৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে কাম-কাজ হাতত লৈছিল সেই দিশত আমি বহুখিনি অগ্ৰসৰ হৈছো ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ নৱেম্বৰ ঃ** 'বিভিন্ন জাতি-জনগোষ্ঠীৰ মহামিলনৰ তীৰ্থ পূণ্যভূমি মাজুলীক ভাৰতবৰ্ষৰ ভিতৰতে এক উল্লেখযোগ্য স্থান হিচাপে গঢ়ি তোলাৰ যি মহান লক্ষ্যৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে কাম-কাজ হাতত লৈছিল সেই দিশত আমি বহুখিনি অগ্ৰসৰ হৈছো। মাজুলীৰ ৰাইজৰ মহানতা, উদাৰতা, হৃদয়ৰ বিশালতা আৰু মানৱতাৰ উমান যাতে বিশ্ববাসীয়ে লাভ কৰিব পাৰে তাৰ বাবে অনাগত দিনত আমি সকলোৱে একেলগে নিষ্ঠাৰে কাম কৰিব লাগিব।' — আজি মাজুলীৰ কৰতিপাৰত ৰাজ্যিক দুৰ্যোগ প্ৰাধিকৰণৰ উদ্যোগত তথা ৰাজ্য চৰকাৰৰ লোক নিৰ্মাণ (গৃহ) বিভাগৰ দ্বাৰা ২.৫১ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলৈ লোৱা কৰতিপাৰ বহুমুখী বান আশ্ৰয় গৃহৰ আধাৰশিলা স্থাপন কৰি এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ ৩.৬০ কোটি টকা ব্যয়ৰে ৰূপায়ণ কৰিবলৈ লোৱা গড়মূৰ অঞ্চলৰ খহনীয়া প্ৰতিৰোধ আঁচনি, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ ২ কোটি টকা ব্যয়ৰে ৰূপায়ণ কৰিবলৈ লোৱা কৰতিপাৰ অঞ্চলৰ খহনীয়া প্ৰতিৰোধ আঁচনি আৰু ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ ৩.৩২ কোটি টকা ব্যয়ৰে ৰূপায়ণ কৰিবলৈ লোৱা আহতগুৰি অঞ্চলৰ খহনীয়া প্ৰতিৰোধ আঁচনিৰ কাম-কাজৰ শুভাৰম্ভ কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ১৯৫১ চনৰ পৰা ক্ৰমাগতভাৱে হোৱা বান আৰু খহনীয়া সমস্যাই ৰাজ্যখনৰ ভৌগোলিক পৰিগাঁথনিৰ যথেষ্ট পৰিৱৰ্তন সাধন কৰিছে। ইয়াৰ লগতে এই সমস্যাৰাজিক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত দাঙি ধৰাৰ বাবেও বহু বছৰ ধৰি অসমৰ ৰাইজে দাবী জনাই আহিছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে নিজৰ ৫৫ বছৰীয়া শাসন কালত

এই সমস্যাটোক আন্তৰিকতাৰে গ্ৰহণ নকৰাৰ ফলশ্ৰুতিত ই সমস্যা হৈয়ে থাকিল। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে ২০১৭ বৰ্ষত গুৱাহাটীত অনুষ্ঠিত এক বৈঠকত এই সমস্যাটো স্থায়ীভাৱে সমাধান কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল আৰু ইয়াৰ পৰৱৰ্তী পৰ্যায়ত নিটি আয়োগৰ উপাধ্যক্ষৰ অধ্যক্ষতাত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ প্ৰতিনিধিক লৈ ৰাষ্ট্ৰীয় পৰ্যায়ত এখন সমিতি গঠন কৰি দিছিল যাতে এই বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধান সূত্ৰ উলিয়াব পৰা যায়। এই সমিতিয়ে এই সমস্যাটো সমাধানৰ বাবে নৰ্থ ইষ্ট ৱাটাৰ মেনেজমেন্ট অথ'ৰিটি গঠনৰ পৰামৰ্শ আগবঢ়াইছে। জলশক্তি বিভাগে এই বিষয়ক এক বিধেয়ক অতি সোনকালে সংসদত উত্থাপন কৰি এই সমস্যাৰ স্থায়ী সমাধান সূত্ৰ উলিয়াব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে পূৰ্বতে নদীৰ খহনীয়াক প্ৰাকৃতিক দুৰ্যোগৰ শিতানত অন্তৰ্ভুক্ত কৰা নাছিল যদিও পঞ্চদশ বিত্ত আয়োগে ইয়াক প্ৰাকৃতিক দুৰ্যোগ হিচাপে ইতিমধ্যে অন্তৰ্ভুক্তকৰণৰ অনুমোদন জনাইছে। ইয়াৰ ফলশ্ৰুতিত ৰাজ্যখনৰ খহনীয়া প্ৰতিৰোধৰ বাবে কেন্দ্ৰৰ পৰা অধিক পুঁজি লাভ কৰাৰ পথ প্ৰশস্ত হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে লোৱা যৌথ প্ৰচেষ্টাৰ ফলশ্ৰুতিতে এনেধৰণৰ ইতিবাচক ফলাফল লাভ কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

তেওঁ নিজেও এগৰাকী বান বিধস্ত অঞ্চলৰ পৰা অহা ব্যক্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বানৰ সময়ত ৰাইজে ভোগা দুৰ্ভোগৰ বিষয়ে তেওঁ ভালদৰে অনুধাৱন কৰিব পাৰে বুলি মন্তব্য কৰে। সেইবাবে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ বানপ্ৰৱন ৬ টা স্থানত এনেকুৱা বহুমুখী বান আশ্ৰয় শিৱিৰ স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰী কয়। তেওঁ লগতে মাজুলীৰ আহতগুৰি অঞ্চলৰ বানাক্ৰান্ত ৰাইজক সকাহ প্ৰদান কৰাৰ বাবে ৰাজ্য চৰকাৰে ২.৭৩ কোটি টকা ব্যয়ৰে ২২ টা বান আশ্ৰয় শিৱিৰ স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও কয় যাতে বানপানীৰ সময়ত বৃহত্তৰ আহতগুৰিবাসী ৰাইজৰ হোৱা আলৈ-আথানি কিছু হ'লেও প্ৰশমিত কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে এই প্ৰতিটো প্ৰকল্প ৰূপায়ণৰ দিশত ৰাইজক জাগ্ৰত প্ৰহৰীৰ ভূমিকা ল'বলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে মাজুলীবাসী ৰাইজক সদায়ে সমন্বয়ৰে থাকি ৰাজ্যখনৰ লগতে মাজুলীৰ উন্নয়নক এক বিশেষ গতি প্ৰদান কৰাৰ বাবেও আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) তথা লোক নিৰ্মাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহনে বিগত চৰকাৰে মাজুলীৰ বাবে বিশেষ একো নকৰিলে বুলি দোহাৰি বৰ্তমানৰ চৰকাৰৰ দিনত মাজুলীৰ উন্নয়নে এক বিশেষ গতি লাভ কৰিছে বুলি কয়। মন্ত্ৰীগৰাকীয়ে লগতে আজি আধাৰশিলা স্থাপন কৰা বহুমুখী বান আশ্ৰয় গৃহৰ নিৰ্মাণ কাৰ্য অতি সোনকালে সম্পন্ন কৰা হ'ব বুলিও কয়। বৰ্তমানৰ চৰকাৰখনে জাতি-মাটি-ভেটিৰ সুৰক্ষাৰ দিশত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি ইতিমধ্যে ১ লাখৰ ওপৰ ভূমিহীন খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰিছে বুলি উল্লেখ কৰি এই বৰ্ষৰ ডিচেম্বৰ মাহৰ ভিতৰতে আৰু ১ লাখ ভূমিহীন খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা প্ৰদানৰ

পদক্ষেপ লৈ আছে বুলি কয়। বৰ্তমানৰ চৰকাৰখনে অৰুণোদয়, অৰুন্ধতী, স্বয়ম ইত্যাদিৰ লেখীয়া শক্তিশালী আঁচনি গ্ৰহণেৰে চৰকাৰখনে দিব্যাংগ, বিধৱা, বৃদ্ধ-বৃদ্ধাকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণৰ সংহত বিকাশৰ ওপৰত গুৰুত্ব আৰোপেৰে এলানি শক্তিশালী আঁচনি গ্ৰহণ কৰিছে বুলিও তেওঁ কয়।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি লখিমপুৰ লোক সভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই কৰতিপাৰ অঞ্চলত লোৱা ৰাজ্য চৰকাৰৰ এই পদক্ষেপে এই অঞ্চলৰ ৰাইজক বহু পৰিমাণে সকাহ প্ৰদান কৰিব বুলি কয়। বৰ্তমানৰ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰখনে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ একান্ত প্ৰচেষ্টাৰ প্ৰতি সঁহাৰি জনাই মাজুলীক ৰাষ্ট্ৰীয় ঘাইপথেৰে সংযোগীকৰণৰ দৰে শক্তিশালী পদক্ষেপ লৈছে বুলিও তেওঁ কয়।

মাজুলী জিলাৰ উপায়ুক্ত বিক্ৰম কৈৰীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী, মাজুলী জিলা পৰিষদৰ সভানেত্ৰী পাপু দত্ত হাজৰিকা, আৰ্টফেডৰ উপাধ্যক্ষ ৰূপা কামান, অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, সমাজকৰ্মী লোকনাথ কুটুমকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ / প্ৰঃকুঃবঃ**
**২৮/১১/২০২০**